Aaranyak

Nourishing nature to secure our future



# কাজিৰঙাৰ পৰিৱেশ-সংবেদনশীল অঞ্চল (ESZ) সন্দৰ্ভত আৰণ্যকৰ স্থিতি

# পৰিৱেশতন্ত্ৰ, আইন আৰু জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ আধাৰত কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল অঞ্চল নিৰ্ধাৰণ কৰক

দীৰ্ঘদিন ধৰি বিলম্ব হৈ থকা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ পৰিৱেশ সংবেদনশীল অঞ্চলৰ অধিসূচনা জাৰিৰ বাবে গ্ৰহণ কৰা পদক্ষেপ উপযুক্ত, বৈজ্ঞানিকভাৱে নিৰ্ধাৰিত আৰু আইনসংগত হোৱা উচিত।

এনে এটা অঞ্চলৰ উদ্দেশ্য স্পষ্ট হোৱা উচিত : কাজিৰঙাৰ পৰিৱেশগত অখণ্ডতা আৰু দীৰ্ঘম্যাদী সুৰক্ষা নিশ্চিত কৰাৰ লগতে এই ভূ-খণ্ডৰ চৌপাশে বসবাস কৰা জনসাধাৰণৰ বাবে মৰ্যাদাপূৰ্ণ জীৱিকা আৰু পৰিৱেশৰ সৈতে খাপ খোৱা উন্নয়নৰ সুযোগ নিশ্চিত কৰা।

সেয়েহে কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল অঞ্চলৰ ক্ষেত্ৰত উদ্যানখনৰ চাৰিওফালে এক সম দূৰত্বৰ নিৰ্ধাৰণতে বিষয়টো সীমাবদ্ধ ৰখা ঠিক নহয় । পৰিৱেশ সংবেদনশীল অঞ্চলৰ উপযুক্ত পৰিসৰ এই ভূ-খণ্ডৰ পৰিৱেশতন্ত্ৰ আৰু ভৌগোলিক বৈশিষ্ট্য, প্ৰযোজ্য আইনী কাঠামো, প্ৰকৃতিক সম্পদক মানুহে ব্যৱহাৰ কৰাৰ বৰ্তমানৰ ধৰণ আৰু এই ভূ-খণ্ডত বসবাস কৰা আৰু নিৰ্ভৰশীল লোকসকলৰ সৈতে অৰ্থবহ মত-বিনিময়ৰ জৰিয়তে নিৰ্ধাৰণ হোৱা উচিত।

আৰণ্যকৰ মতে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাবে এক বিশ্বাসযোগ্য আৰু গ্ৰহণযোগ্য পৰিৱেশ সংবেদনশীল অঞ্চল নিৰ্দ্ধাৰণ কৰাৰ সময়ত নিম্নোক্ত চাৰিটা মূল নীতি মানি চলা উচিত :

·পৰিৱেশগত সুৰক্ষা

·জীৱিকাৰ সুৰক্ষা

·বহনক্ষম উন্নয়ন

·মানৱ কল্যাণ আৰু সহাৱস্থান

## ১. পৰিৱেশ সংবেদনশীল অঞ্চল হলে কি হ'ব

পৰিৱেশ সংবেদনশীল অঞ্চলে কেৱল এখন ৰাষ্ট্ৰীয় উদ্যানত মানুহৰ কাৰ্যকলাপ নিষিদ্ধ কৰা এক সম্প্ৰসাৰিত ক্ষেত্ৰ নহয়। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ ২০১১ চনৰ নিৰ্দেশনাত পৰিৱেশ সংবেদনশীল অঞ্চলক সংৰক্ষিত অঞ্চলৰ চৌপাশৰ পৰিৱৰ্তনশীল এলেকা বা "শ্বক এবজৰ্বাৰ" হিচাপে বৰ্ণনা কৰা হৈছে। ইয়াত সকলো কাৰ্যকলাপ নিষিদ্ধ কৰাৰ পৰিৱৰ্তে নিয়ন্ত্ৰণক সামগ্ৰিক দৃষ্টিভংগী হিচাপে গ্ৰহণ কৰা হৈছে। একেটা নিৰ্দেশনাত স্পষ্ট কৰা হৈছে যে ইয়াৰ পৰিসৰ :

·সংৰক্ষিত অঞ্চলভেদে নিৰ্দিষ্ট আৰু নমনীয় হোৱা উচিত আৰু গাইগুটীয়া সংৰক্ষিত অঞ্চলৰ চৌপাশতো ইয়াৰ প্ৰস্থ আৰু নিয়ন্ত্ৰণৰ মাত্ৰা সকলো ঠাইতে একে হোৱাৰ প্ৰয়োজন নাই ।

·আনকি সংৰক্ষিত অঞ্চলৰ পৰা অধিক দূৰলৈ বিস্তৃত হৈ থকা পৰিৱেশতান্ত্ৰিক গুৰুত্ব থকা কৰিডʼৰ আৰু ভূ-প্ৰাকৃতিক খণ্ডৰ সংযোগস্থলৰো সংৰক্ষণৰ প্ৰয়োজন ।

কাজিৰঙাৰ ক্ষেত্ৰত এনে ভূ-প্ৰাকৃতিক দৃশ্যপট নিৰ্দিষ্ট দৃষ্টিভংগী উপযুক্ত।

ইয়াৰ চৌপাশ পৰিৱেশতন্ত্ৰ সকলোতে একে নহয়। উত্তৰ দিশত ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ পৰিৱৰ্তনশীল চৰ-চাপৰি অঞ্চল; দক্ষিণ দিশ পাহাৰ, অৱবাহিকা আৰু বন্যপ্ৰাণীয়ে অহা-যোৱাৰ বাবে ব্যৱহাৰ কৰা গুৰুত্বপূৰ্ণ পথ আছে৷ আনহাতে, এই ভূ-প্ৰাকৃতিক খণ্ডৰ চাৰিওফালে গাঁও, কৃষিভূমি, চাহ বাগিচা, পৰ্যটন আৰু পৰিবহণ আন্তঃগাঁথনি আৰু ভূমিৰ বিভিন্ন ব্যৱহাৰ দেখা যায়৷

সকলো দিশতে একে ব্যাসাৰ্দ্ধ ধৰি দূৰত্ব নিৰূপণ কৰা দূৰত্বই এই পৰিৱেশগত আৰু সামাজিক পাৰ্থক্যসমূহক উপযুক্তভাৱে প্ৰতিফলিত কৰিব নোৱাৰে৷

## ২. আইনী কাঠামো মতে চূড়ান্ত সীমা নিৰ্ধাৰণ কৰিব লাগিব

পৰিৱেশ সংবেদনশীল অঞ্চলৰ সীমা নিৰ্ধাৰণ আৰু অধিসূচনা জাৰিৰ ক্ষেত্ৰত পৰিৱেশ (সুৰক্ষা) আইন, ১৯৮৬, পৰিৱেশ (সুৰক্ষা) নিয়মাৱলী, ১৯৮৬, মন্ত্ৰালয়ৰ প্ৰযোজ্য নিৰ্দেশনা আৰু ভাৰতৰ মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা কঠোৰভাৱে পালন কৰিব লাগিব৷

সময়ৰ সৈতে বিবৰ্তিত আইনী স্থিতি সামগ্ৰিক ভাৱে বিবেচনা কৰিব লাগিব৷

ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল হিচাপে কাজিৰঙাৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে – ২০২৫ চনৰ ১৭ নৱেম্বৰ তাৰিখে মাননীয় উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ত ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ পৰিৱেশ সংবেদনশীল অঞ্চলত অন্ততঃ ইয়াৰ “বাফাৰ” আৰু কাষৰীয়া এলেকা অন্তৰ্ভুক্ত কৰিব লগাৰ নীতিত অনুমোদন জনাইছে। “বাফাৰ” এলেকা নথকা বা একেলেঠাৰিয়ে নথকা অঞ্চলত অন্যান্য প্ৰযোজ্য সুৰক্ষামূলক ব্যৱস্থাসমূহৰ লগতে গুৰুত্বপূৰ্ণ ব্যাঘ্ৰ আৱাসভূমিৰ পৰা ন্যূনতম এক কিলোমিটাৰ সুৰক্ষা-বেষ্টনী ৰখাত আদালতে অনুমোদন জনাইছে।

কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল অঞ্চল নিৰ্ধাৰণৰ প্ৰক্ৰিয়া আগতীয়াকৈ এটা সংখ্যা ঠিক কৰি আৰু ভূ-প্ৰাকৃতিক দৃশ্যপটক ইয়াত খাপ খুৱাবলৈ চেষ্টা কৰি আৰম্ভ কৰাটো উচিত নহয়৷

ইয়াৰ পৰিৱৰ্তে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত অঞ্চলৰ ক্ষেত্ৰত প্ৰযোজ্য আইনী প্ৰয়োজনীয়তা আৰু ভূ-প্ৰাকৃতিক দৃশ্যপটৰ বৈজ্ঞানিকভাৱে নথিভুক্ত মূল্যায়নৰ ভিত্তিত সীমা নিৰ্ধাৰণ কৰা উচিত৷

## ৩. কাজিৰঙাৰ বাবে পৰিৱৰ্তনশীল প্ৰস্থৰ পৰিৱেশ সংবেদনশীল অঞ্চল

আৰণ্যকে সেয়েহে পৰিৱেশগত সংবেদনশীলতা, বন্যপ্ৰাণীৰ প্ৰয়োজনীয়তা, জলবিজ্ঞান, ভূমি ব্যৱহাৰ আৰু বসতিৰ ধৰণ অনুসৰি সলনি কৰিব পৰা প্ৰস্থৰ পৰিৱেশ সংবেদনশীল অঞ্চলৰ পোষকতা কৰে।

গুৰুত্বপূৰ্ণ পৰিৱেশগত আৰু বন্যপ্ৰাণীজনিত কাম-কাজ চলা অঞ্চলসমূহত অধিক বিস্তৃত পৰিৱেশ সংবেদনশীল অঞ্চল আৰু অধিক শক্তিশালী সুৰক্ষামূলক ব্যৱস্থাৰ প্ৰয়োজন হ'ব পাৰে৷ আনহাতে, দীৰ্ঘদিন ধৰি বসতি থকা আৰু ইতিমধ্যে নিৰ্মাণ চলা বা অধিক ব্যৱহৃত অঞ্চলসমূহত প্ৰযোজ্য আইনৰ সৈতে সামঞ্জস্য ৰাখি পৃথক নিয়ামক দৃষ্টিভংগী গ্ৰহণ কৰিব পৰা যায়৷

## ৪. ৰাইজ-কেন্দ্ৰিক সংৰক্ষণ

কাজিৰঙাৰ চৌপাশে বসবাস কৰা লোকসকল প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি এই ভূ-প্ৰাকৃতিক দৃশ্যপটৰ সামাজিক আৰু পৰিৱেশ ইতিহাসৰ অংশ আৰু তেওঁলোক ইয়াৰ ভৱিষ্যতৰ বাবেও অত্যন্ত গুৰুত্বপূৰ্ণ৷

আৰণ্যকে দৃঢ়ভাৱে বিশ্বাস কৰে যে জনসাধাৰণৰ অংশগ্ৰহণ আৰু সমৰ্থন অবিহনে সংৰক্ষণৰ প্ৰচেষ্টা সফল হ'ব নোৱাৰে।

সেয়েহে পৰিৱেশ সংবেদনশীল অঞ্চল ঘোষণাৰ ফলস্বৰূপে বৈধ জীৱিকা, পৰম্পৰাগত কৃষি, বৰ্তমানৰ বসতি, ঘৰুৱা কাৰ্যকলাপ বা সাধাৰণ সামাজিক জীৱনত অপ্ৰয়োজনীয় ব্যাঘাত সৃষ্টি হ'ব নালাগে।

পৰিৱেশতন্ত্ৰত গুৰুতৰ ক্ষতিকাৰক প্ৰভাৱ পেলাব পৰা নতুন বা সম্প্ৰসাৰিত কাৰ্যকলাপসমূহৰ নিয়ন্ত্ৰণতহে মূলত: মনোনিৱেশ কৰা উচিত। একে সময়তে পৰিৱেশৰ সৈতে খাপ খোৱা জীৱিকা আৰু বহনক্ষম উন্নয়নক কাৰ্যকৰী আৰু উৎসাহিত কৰি তুলিব লাগে।

সেয়েহে পৰিৱেশ সংবেদনশীল অঞ্চল ঘোষণা প্ৰক্ৰিয়াৰ সৈতে তলত উল্লেখ কৰা বিষয়সমূহ চিনাক্ত কৰিব পৰা এক বিস্তৃত সামাজিক-অৰ্থনৈতিক মূল্যায়ন হোৱা উচিত হ'ব :

·জীৱিকা নিৰ্ভৰশীলতা আৰু ভাবুকিৰ সন্মুখীন হোৱাৰ সম্ভৱনা;
·কৃষি আৰু ভূমি ব্যৱহাৰৰ ধৰণ;
·বৰ্তমানৰ বসতি আৰু নাগৰিক সুবিধাৰ প্ৰয়োজনীয়তা;
·পৰ্যটন-নিৰ্ভৰ জীৱিকা;
·ৰাজহুৱা সেৱা আৰু আন্তঃগাঁথনিৰ সুবিধা;
·মানৱ-বন্যপ্ৰাণী সংঘাত আৰু সহাৰস্থানৰ প্ৰয়োজনীয়তা;
·স্থানীয় সমূদায়ৰ উন্নয়নৰ আকাংক্ষা; আৰু
·পৰিৱেশ অনুকূল আৰু জলবায়ু-সহনশীল জীৱিকাৰ সুযোগ।

সংশ্লিষ্ট লোকসকলে প্ৰস্তাৱটো অনুধাৱন কৰিবলৈ, ইয়াৰ প্ৰস্তুতিত অংশগ্ৰহণ কৰিবলৈ আৰু সিদ্ধান্ত চূড়ান্ত কৰাৰ পূৰ্বে নিজৰ উদ্বেগ প্ৰকাশ কৰিবলৈ প্ৰকৃত সুযোগ পাব লাগিব।

## ৫. কাজিৰঙা পৰিৱেশ সংবেদনশীল অঞ্চলে নিশ্চিত কৰিবলগীয়া ন্যূনতম পৰিৱেশগত বিষয়সমূহ

### ·বন্যপ্ৰাণীৰ কৰিডৰ আৰু ভূ-খণ্ডৰ সংযোগ

কাজিৰঙা আৰু ইয়াৰ কাষৰীয়া দক্ষিণ পাহাৰীয়া ভূ-খণ্ডৰ মাজত থকা স্বীকৃত তথা বন্যপ্ৰাণীৰ চলা-চলৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা নটা বন্যপ্ৰাণী কৰিডৰ সামগ্ৰিকভাৱে এনেদৰে সংৰক্ষিত হ'ব লাগিব যাতে ভূমি ব্যৱহাৰত হোৱা সামঞ্জস্যহীন পৰিৱৰ্তনৰ ফলত বন্যপ্ৰাণীৰ চলাচলৰ পথ ক্ৰমান্বয়ে সংকুচিত নহয়। কাৰ্বি আংলং পাহাৰ আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজত সংযোগ স্থাপন কৰা এই নটা কৰিডৰ স্বয়ং অসম চৰকাৰে ইতিমধ্যে অধিসূচিত কৰিছে।

### ·বানপানীৰ আশ্ৰয়স্থল আৰু ওখ ভূমিলৈ যোৱাৰ পথ

কাজিৰঙা এখন বান প্ৰৱণ সমভূমি পৰিৱেশতন্ত্ৰ। প্ৰৱল বানপানীৰ সময়ত বন্যপ্ৰাণীক উদ্যানখনৰ দ' স্থানৰ পৰা ওখ স্থানলৈ নিৰাপদে যোৱাৰ পথৰ প্ৰয়োজন হয়।

আৰণ্যকে দৃঢ়ভাৱে বিশ্বাস কৰে যে জনসাধাৰণৰ অংশগ্ৰহণ আৰু সমৰ্থন অবিহনে সংৰক্ষণৰ প্ৰচেষ্টা সফল হ'ব নোৱাৰে৷

সেয়েহে পৰিৱেশ সংবেদনশীল অঞ্চল ঘোষণাৰ ফলস্বৰূপে বৈধ জীৱিকা, পৰম্পৰাগত কৃষি, বৰ্তমানৰ বসতি, ঘৰুৱা কাৰ্যকলাপ বা সাধাৰণ সামাজিক জীৱনত অপ্ৰয়োজনীয় ব্যাঘাত সৃষ্টি হ'ব নালাগে।

পৰিৱেশতন্ত্ৰত গুৰুতৰ ক্ষতিকাৰক প্ৰভাৱ পেলাব পৰা নতুন বা সম্প্ৰসাৰিত কাৰ্যকলাপসমূহৰ নিয়ন্ত্ৰণতহে মূলত: মনোনিৱেশ কৰা উচিত। একে সময়তে পৰিৱেশৰ সৈতে খাপ খোৱা জীৱিকা আৰু বহনক্ষম উন্নয়নক কাৰ্যকৰী আৰু উৎসাহিত কৰি তুলিব লাগে৷

সেয়েহে পৰিৱেশ সংবেদনশীল অঞ্চল ঘোষণা প্ৰক্ৰিয়াৰ সৈতে তলত উল্লেখ কৰা বিষয়সমূহ চিনাক্ত কৰিব পৰা এক বিস্তৃত সামাজিক-অৰ্থনৈতিক মূল্যায়ন হোৱা উচিত হ'ব :

·জীৱিকা নিৰ্ভৰশীলতা আৰু ভাবুকিৰ সন্মুখীন হোৱাৰ সম্ভৱনা;
·কৃষি আৰু ভূমি ব্যৱহাৰৰ ধৰণ;
·বৰ্তমানৰ বসতি আৰু নাগৰিক সুবিধাৰ প্ৰয়োজনীয়তা;
·পৰ্যটন-নিৰ্ভৰ জীৱিকা;
·ৰাজহুৱা সেৱা আৰু আন্তঃগাঁথনিৰ সুবিধা;
·মানৱ-বন্যপ্ৰাণী সংঘাত আৰু সহাৱস্থানৰ প্ৰয়োজনীয়তা;
·স্থানীয় সমূদায়ৰ উন্নয়নৰ আকাংক্ষা; আৰু
·পৰিৱেশ অনুকূল আৰু জলবায়ু-সহনশীল জীৱিকাৰ সুযোগ৷

সংশ্লিষ্ট লোকসকলে প্ৰস্তাৱটো অনুধাৱন কৰিবলৈ, ইয়াৰ প্ৰস্তুতিত অংশগ্ৰহণ কৰিবলৈ আৰু সিদ্ধান্ত চূড়ান্ত কৰাৰ পূৰ্বে নিজৰ উদ্বেগ প্ৰকাশ কৰিবলৈ প্ৰকৃত সুযোগ পাব লাগিব৷

## ৬. স্থানীয় সমূদয়ৰ জীৱিকা আৰু উন্নয়ন পৰিকল্পনা

পৰিৱেশ সংবেদনশীল অঞ্চলৰ অধিসূচনাক একক হিচাপে জাৰি কৰা উচিত নহয়৷ আৰণ্যকৰ মতে, ইয়াত স্থানীয় সমূদায় আৰু সংশ্লিষ্ট অনুষ্ঠাসমূহৰ সৈতে আলোচনা কৰি প্ৰস্তুত কৰা সমূদায়ৰ জীৱিকা আৰু বহনক্ষম উন্নয়ন পৰিকল্পনা সন্নিবিষ্ট কৰা উচিত৷

স্থানীয় প্ৰয়োজন অনুসৰি এই পৰিকল্পনাই সহায় কৰিব লগা বিষয়সমূহ :

·বহনক্ষম আৰু জলবায়ু-সহনশীল কৃষি;
·প্ৰকৃতি-নিৰ্ভৰ জীৱিকা আৰু স্থানীয় উদ্যোগ;
·দায়িত্বশীল আৰু স্থানীয় লোকৰ উপকাৰ হোৱা পৰ্যটন;
·স্থানীয় সমূদায়ৰ দ্বাৰা পৰিচালিত পৰ্যটন আৰু হোমষ্টে;
·দক্ষতা বিকাশ আৰু যুৱ সংস্থাপন;
·বহনক্ষম পশুপালন আৰু কৃষি পদ্ধতি;
·মানৱ-বন্যপ্ৰাণী সংঘাত প্ৰশমন আৰু দ্ৰুত সঁহাৰি ব্যৱস্থা;

·

·বন্যপ্ৰাণীৰ নিয়মীয়া চলাচল হোৱা অঞ্চলসমূহত জীৱিকাৰ ব্যৱস্থা ;
·উন্নত আৱৰ্জনা, অনাময় আৰু পানী ব্যৱস্থাপনা;
·পৰিৱেশৰ সৈতে খাপ খোৱা পথ আৰু পৌৰ আন্তঃগাঁথনি;
·জলাশয়, জান-জুৰি আৰু পাৰিপাৰ্শ্বিক অৱক্ষয় হোৱা অঞ্চলৰ সংৰক্ষণ আৰু পুনৰুদ্ধাৰ;
·পাৰিপাৰ্শ্বিক অৱক্ষয় ৰোধ;
·বন্যপ্ৰাণীৰ চলা-ফিৰা কৰা পথৰ ধাৰাবাহিকতা ৰক্ষা আৰু পৰিৱেশতন্ত্ৰৰ প্ৰতি অৰিহণা যোগোৱা স্থানীয় সমূদায় আৰু মটিৰ গৰাকীসকলৰ বাবে উদগনি ।

## ৭. স্বচ্ছ আৰু অংশগ্ৰহণমূলক সিদ্ধান্ত গ্ৰহণ

মূল সিদ্ধান্তসমূহ গ্ৰহণ কৰাৰ পিছত নহয়, বৰং প্ৰস্তাৱটো চূড়ান্ত কৰাৰ পূৰ্বেই জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত হোৱা উচিত।

আৰণ্যকে চৰকাৰক তলত উল্লেখ কৰা বিষয়বোৰ ৰাজহুৱাভাৱে প্ৰকাশ কৰাৰ পৰামৰ্শ আগবঢ়াইছে :

·প্ৰস্তাৱিত পৰিৱেশ সংবেদনশীল অঞ্চলৰ সীমা;
·উপযুক্ত মাপৰ গাঁওভিত্তিক আৰু মটিৰ সীমা ভিত্তিক (কেডেষ্ট্ৰেল) মানচিত্ৰ;
·সীমাৰ বিভিন্ন অংশ নিৰ্ধাৰণৰ বাবে ব্যৱহাৰ কৰা বৈজ্ঞানিক ভিত্তি আৰু মাপকাঠী;
·নিষিদ্ধ, নিয়ন্ত্ৰিত আৰু অনুমোদিত কাৰ্যকলাপৰ প্ৰস্তাৱিত তালিকা;
·স্বীকৃত বন্যপ্ৰাণী কৰিডৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ পৰিৱেশগতভাৱে এলেকাৰ অৱস্থান;
·প্ৰস্তাৱটোত ভিত্তি হিচাপে ব্যৱহৃত সামাজিক-অৰ্থনৈতিক মূল্যায়ন; আৰু
·মাগুলিক মাষ্টাৰ প্লেনৰ প্ৰস্তাৱিত কাঠামো।

তথ্যসমূহ সহজে বুজিব পৰা ভাষাত প্ৰকাশ কৰি গাঁও তথা স্থানীয় প্ৰশাসন পৰ্যায়ত প্ৰচাৰ কৰিব লাগে। ইয়াৰ বাবে অসমীয়া আৰু সংশ্লিষ্ট সম্প্ৰদায়ৰ প্ৰয়োজন অনুসৰি কাৰ্বি, বড়ো, হিন্দী আৰু নেপালী আদি স্থানীয়ভাৱে প্ৰাসংগিক ভাষাত অনুবাদৰো ব্যৱস্থা কৰিব লাগে।

আলোচনাত প্ৰভাৱিত গাঁও পঞ্চায়ত আৰু গাঁও, নগৰীয়া আৰু স্থানীয় কৰ্তৃপক্ষ, চাহ বাগিচা আৰু কৃষি খণ্ডৰ অংশীদাৰ, পৰ্যটন ব্যৱসায়ী, গৱেষক, সংৰক্ষণ সংস্থা আৰু অন্যান্য সংশ্লিষ্ট অনুষ্ঠানক অন্তৰ্ভুক্ত কৰিব লাগে।

কাজিৰঙা আৰু দক্ষিণৰ পাহাৰীয়া ভূ-খন্ডৰ মাজত থকা পাৰিপাৰ্শ্বিক সম্পৰ্কৰ প্ৰতি লক্ষ্য ৰাখি, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু সংশ্লিষ্ট চৰকাৰী বিভাগ আৰু সমূহীয়া অনুষ্ঠানসমূহৰ সৈতে তেওঁলোকৰ আওতাত থকা ক্ষেত্ৰ বা পৰিৱেশজনিত প্ৰভাৱৰ সৈতে জড়িত বিষয়ক লৈ অৰ্থপূৰ্ণভাৱে আলোচনা কৰা উচিত ।

আলোচনা কালত লাভ কৰা আপত্তি, দাবী আৰু বিকল্প প্ৰস্তাৱসমূহ নথিভুক্ত কৰি স্বচ্ছভাৱে বিবেচনা কৰিব লাগে।

## ৮. আৰণ্যকৰ বৈজ্ঞানিক আৰু কাৰিকৰী সহায় আগবঢ়োৱাৰ প্ৰস্তাৱ

আৰণ্যক উপযুক্ত প্ৰতিষ্ঠানিক ব্যৱস্থাৰ অধীনত বিনামূলীয়াকৈ অসম চৰকাৰক ইয়াৰ প্ৰাসংগিক পৰিৱেশগত তথ্য, ক্ষেত্ৰভিত্তিক অভিজ্ঞতা, বৈজ্ঞানিক দক্ষতা আৰু কাৰিকৰী সহযোগিতা আগবঢ়াবলৈ ইচ্ছুক।

এনে সহায়ৰ ভিতৰত পৰিৱেশতন্ত্ৰগত আৰু স্থানিক বিশ্লেষণ, বন্যপ্ৰাণীৰ সংযোগ, জলাশয় আৰু জলবৈজ্ঞানিক তথ্য, ভূ-খণ্ডৰ মূল্যায়ন, স্থানীয় সমূদায়ৰ সৈতে আলোচনা, সংৰক্ষণ পৰিকল্পনা আৰু সিদ্ধান্ত গ্ৰহণৰ বাবে বৈজ্ঞানিক তথ্যৰ ব্যাখ্যা আদি অন্তৰ্ভুক্ত হ'ব পাৰে।

আটাইতকৈ বহল বা আটাইতকৈ সংকীৰ্ণ পৰিৱেশ সংবেদনশীল অঞ্চলৰ পোষকতা কৰাটো নহয়, কাজিৰঙাৰ বাবে উপযুক্ত পৰিৱেশ সংবেদনশীল অঞ্চল চিনাক্ত কৰাত সহায় কৰাটোহে উদ্দেশ্য হোৱা উচিত।

আৰণ্যকে মন কৰিছে যে ১৯৮৫ চনত কাজিৰঙাক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি দিয়া হৈছিল যদিও সেই চুক্তিৰ অধীনত আনুষ্ঠানিক মধ্যৱৰ্তী অঞ্চল হিচাপে ইয়াৰ কোনো অঞ্চলক নথিভুক্ত কৰা হোৱা নাই আৰু যিকোনো অঞ্চল অধিসূচিত হ'লে ইয়াৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সূক্ষ্মভাৱে পৰীক্ষা হোৱাৰ সম্ভাৱনা আছে।

খৰখেদাকৈ সিদ্ধান্ত গ্ৰহণ কৰা উচিত নহয়। অসম চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ইয়াৰ কাষৰীয়া ভূ-খন্ডৰ পৰিৱেশতন্ত্ৰগত সুৰক্ষা, চৌপাশৰ লোকসকলৰ সামাজিক-অৰ্থনৈতিক আৰু জীৱিকাৰ সুৰক্ষাৰ লগতে ভৱিষ্যতে মানুহ আৰু প্ৰকৃতিৰ বহনক্ষম সহাৱস্থান সম্পৰ্কে অধ্যয়ন চলাবলৈ এখন বিশেষজ্ঞ সমিতি গঠন কৰিব পাৰে।

এই বিশেষজ্ঞ সমিতিত বন্যপ্ৰাণী, ভূ-প্ৰাকৃতিক পৰিৱেশতন্ত্ৰ, জীৱ-জন্তুৰ আচৰণ, দুৰ্যোগ ব্যৱস্থাপনা, জলবায়ু পৰিৱৰ্তন, প্ৰশাসনিক আৰু শাসন-ব্যৱস্থা আদি বিষয়ৰ বিশেষজ্ঞৰ লগতে স্থানীয় সমূদায়ৰ প্ৰতিনিধিকো অন্তৰ্ভুক্ত কৰাটো উচিত।

অধিক তথ্য বা স্পষ্টীকৰণৰ বাবে যোগাযোগ কৰক: pr@aaranyak.org